3 (Sem–5/CBCS) ASM HC 1

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিবেশনশৈলী )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ প্ৰাচীন লোকনাট্য অনুষ্ঠান এটিৰ নাম লিখা।

(খ) 'ঝুমুৰা'ৰ এটি বিশেষত্ব লিখা।

(গ) এখন অসমীয়া এবচাৰ্ড নাটকৰ নাম লিখা।

(ঘ) অসমৰ প্ৰাচীন নাট মঞ্চ (নাট পৰিবেশনৰ স্থান) এখনৰ নাম লিখা।

(ঙ) 'অৰ্জুন ভঞ্জন' নাটৰ আন এটা নাম কি?

(চ) ‘ৰুক্মিণী হৰণ’ নাটৰ কাহিনীভাগৰ মূল কি?

(ছ) ‘নীলাম্বৰ’ নাটকৰ মুঠ চৰিত্ৰসংখ্যা কিমান?

(জ) ‘আহাৰ’ নাটকৰ প্ৰেয়সী চৰিত্ৰটোৰ নাম কি?

(ঝ) ‘উৰুখা’ শব্দৰ অৰ্থ কি?

(ঞ) ‘ৱেটিং ফৰ গডো’ নাটকখনৰ নাট্যকাৰ কোন?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰ-শংকৰী যুগৰ দুখন নাটৰ নাম লিখা।

(খ) অংকীয়া নাটত সন্নিৱিষ্ট দুবিধ গীতৰ (শ্লোক আৰু ভটিমাক সামৰি) নাম লিখা।

(গ) ৰুক্মিণীৰ পিতৃ আৰু ভাতৃৰ নাম লিখা।

(ঘ) ‘আহাৰ’ নাটকৰ প্ৰথম অংকৰ মঞ্চসজ্জাত থকা গেটখনৰ নাম কি? গেটখনত কেইটা স্তম্ভ আছে?

(ঙ) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া নাটকৰ দুটা বিশেষত্ব লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ‘নীলাম্বৰ’ নাটকৰ যি কোনো এটি পুৰুষ চৰিত্ৰৰ চাৰিত্ৰিক বিশেষত্ব বিশ্লেষণ কৰা।

(খ) ‘ৰুক্মিণী হৰণ’ নাটত শংকৰদেৱৰ মৌলিকত্ব ক’ত ক’ত প্ৰকাশ পাইছে, আলোচনা কৰা।





(গ) ‘উৰুখা’ নাটকৰ বনশ্ৰী চৰিত্ৰটিৰ হতাশাৰ এটি বিৱৰণ দাঙি ধৰা।

(ঘ) “ৰং, খহি পৰা বেৰ
উৱলি যোৱা মাৰলি—
এনে পৰিবেশত কবিতাৰ হৃদয়ক বুজিব নোৱাৰি।”

কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, লিখা। ১+১+৩=৫

(ঙ) ‘আহাৰ’ নাটকত নলিনীয়ে নিজৰ সংসাৰ আৰু পত্নী অণিমা সেই সংসাৰত নিমজ্জিত হৈ পৰাৰ বিৱৰণ কেনেদৰে দিছে?

(চ) অসমীয়া লোকনাট্যৰ পৰিবেশনশৈলী সম্পৰ্কে এটি টোকা লিখা।

৪। (ক) অংকীয়া নাটৰ পৰিবেশনশৈলীৰ বিৱৰণ দিয়া। ১০

*অথবা*

(খ) অংকীয়া নাটৰ আহাৰ্যৰ বিষয়ে লিখা।

৫। (ক) অসমীয়া নাটকৰ পৰিবেশনশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) নাটক পৰিবেশনত ‘মঞ্চ’ৰ গুৰুত্ব কিমান সেই বিষয়ে ‘নীলাম্বৰ’ নাটকৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা।

৬। (ক) 'আহাৰ' নাটকৰ কাহিনীত 'এবচাৰ্ড' নাটকৰ বিশেষত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'আহাৰ' নাটকৰ সংলাপ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা লিখা।

৭। (ক) "চালখন ধপ্‌ধপাইছে—
যদি উৰি যায়—
মাৰলিত ধৰি
ময়ো উৰি যাম—
ঈগল পখীৰ দৰে ... উৰি ... ম ..."

সংলাপটিৰ বক্তা কোন? এই বক্তাজন (চৰিত্ৰটো)ৰ সংলাপৰ মাজেৰে কেনেধৰণৰ জীৱনবোধ প্ৰকাশ পাইছে, আলোচনা কৰা। ১+৯=১০

*অথবা*

(খ) "গোটেই মজিয়াখন পানী। যেন ৰঙা নদীখন বৈ আহিছে। (দীঘল দীঘল খোজ দিয়ে) ক'ত থিয় দিওঁ। ক'লৈ যাওঁ। হে ভগবান! এই মহাপ্ৰলয় সামৰি লোৱা।" কথাযাৰৰ আলমত 'উকখা' নাটকৰ মাজেৰে প্ৰকাশ পোৱা জীৱনৰ অস্থিৰতা, সংকটৰ বিষয়ে আলোচনা কৰা। ১০

★★★